**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::**

পল্টন বজাৰস্থিত গুৱাহাটী ৰে'লৱে ষ্টেচনত আজি বোমাতংকৰ সৃষ্টি হয়। ছিলং আৰক্ষীৰ পৰা লাভ কৰা এক খবৰৰ ভিত্তিত মহানগৰ আৰক্ষী, ৰে'ল আৰক্ষী আৰু ৰে'লৱে সুৰক্ষা বাহিনীয়ে অতি সাৱধানতাৰে স্নিফাৰ ডগ, বোমা চিনাক্তকৰণ সামগ্ৰীৰে সকলোতে পৰীক্ষা কৰে যদিও বোমা উদ্ধাৰ কৰিবলৈ সমৰ্থ নহ'ল। প্ৰাপ্ত তথ্য অনুসৰি কোনো অচিনাক্ত ব্যক্তিয়ে ছিলং আৰক্ষীলৈ ফোন কৰি পল্টন বজাৰৰ গুৱাহাটী ৰে'লৱে ষ্টেচনত বোমা সংস্থাপনৰ পৰিকল্পনা কৰা বুলি উল্লেখ কৰিছিল। লগে লগে ছিলং আৰক্ষীয়ে সমগ্ৰ বিষয়টো মহানগৰ আৰক্ষীৰ নিয়ন্ত্ৰণ কক্ষক অৱগত কৰে। ইয়াৰ ভিত্তিত আৰক্ষী, চৰকাৰী ৰে'ল আৰক্ষী আৰু ৰে'লৱে সুৰক্ষা বাহিনীয়ে অভিযান চলাই যদিও কোনো বোমাৰ সন্ধান পোৱা নগ'ল।

০০০০

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰম্ভিক প্ৰস্তুতি সম্পৰ্কে পৰ্যালোচনা কৰে। এই বৈঠকত অসমৰ ৰাজ্যিক নিৰ্বাচন আয়ুক্ত আলোক কুমাৰ, ৰাজ্যিক নিৰ্বাচন আয়োগৰ সচিব আদিকে ধৰি বহু লোক উপস্থিত থাকে। বৈঠকত শোণিতপুৰৰ উপৰি লখিমপুৰ, বিশ্বনাথ, নগাঁও আৰু হোজাই জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সম্বন্ধে আলোচনা কৰা হয়। জিলা আয়ুক্তসকলৰ নেতৃত্বত ভোটকেন্দ্ৰৰ সংখ্যা, বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ, বেলট বাকচৰ যোগান, ষ্ট্ৰং ৰুমৰ সুৰক্ষা, সামগ্ৰী বিতৰণ আৰু বেলট গণনাৰ ব্যৱস্থা আদি বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ৰাজ্যিক নিৰ্বাচন আয়ুক্তগৰাকীয়ে জিলা আয়ুক্তসকলক নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে একত্ৰিতভাৱে কাম কৰিবলৈ আহ্বান জনায়। এই সভাত শোণিতপুৰ, লখিমপুৰ, বিশ্বনাথ, নগাঁও আৰু হোজাই জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষক, পঞ্চায়ত নিৰ্বাচনৰ নডেল বিষয়া, নিৰ্বাচনী বিষয়া, ডি আই অ', এন আই চি আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০

মাজুলী জিলা স্বাস্থ্য বিভাগে ৰাষ্ট্ৰীয় বাল স্বাস্থ্যক্ৰমৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় বিশেষভাৱে সক্ষম দিৱসৰ লগত সংগতি ৰাখি আজি পিতাম্বৰ দেৱগোস্বামী জিলা চিকিৎসালয়ত এটা স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। এই বিশেষ শিবিৰত স্বাস্থ্য বিশেষজ্ঞ আৰু স্বাস্থ্যকৰ্মীসকলৰ লগতে জিলা পৰ্যায়ৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০

চিৰাং জিলাৰ সুভাইঝাৰ হাইস্কুল খেলপথাৰত আজিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে ছিডলী বিধানসভা সমষ্টি ভিত্তিত খেল মহাৰণৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে। চিৰাং জিলাৰ প্ৰশাসনৰ উদ্যোগত আৰু জিলা ক্ৰীড়া বিষয়াৰ সহযোগত আয়োজিত এই খেল মহাৰণৰ আজি আবেলি মুকলি অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকে বি টি চিৰ কাৰ্যবাহী সদস্য ৰণজিৎ বসুমতাৰী। খেল মহাৰণত এথলেটিক, ফুটবল, ডবা, কাবাদী, ভলীবল আৰু দলীয় ভিত্তি চাইক্লিং খেল অনুষ্ঠিত হ'ব। শুভ উদ্বোধনী অনুষ্ঠানত ছিডলী বিধানসভা সমষ্টিৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্ম, চিৰাঙৰ জিলা আয়ুক্ত যতীন বৰা, বি টি চিৰ যুৱ কল্যাণ পৰিক্ৰমা বিভাগৰ উপ-সঞ্চালক ৰাজেন্দ্ৰ ব্ৰহ্মসহ কেইবাজনো অতিথিয়ে অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা নিয়াই আজি দেশৰ ৮খন ৰাজ্যৰ ১৯টা স্থানত জেইছি মহম্মদ সন্ত্ৰসবাদী ষড়যন্ত্ৰৰ গোচৰত তালাচী অভিযান চলায়। অসম, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, বিহাৰ, ওড়িশা, জম্মু-কাশ্মীৰ, ৰাজস্থান আৰু গুজৰাটৰ বিভিন্ন ঠাইত চলোৱা এই অভিযান কালত সংস্থাটোৱে বিভিন্ন নথি-পত্ৰ, ম'বাইল ফোন, পেন ড্ৰাইভ, চিডি, হাৰ্ড ডিস্কসহ বিভিন্ন ইলেকট্ৰিনক সামগ্ৰী জব্দ কৰে। এই সংক্ৰান্তত সংস্থাটোৱে কোনো লোকক আটক কৰা নাই।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০

ফিডে বিশ্ব ডবা চেম্পিয়নশ্বিপত চীনৰ ডিং লিৰেনক পৰাস্ত কৰি ভাৰতৰ ডি গুকেশে বিশ্বচেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। উল্লেখযোগ্য যে, বিশ্ব ডবা ইতিহাসৰ সৰ্বকনিষ্ঠ হিচাপে ডি গুকেশে বিশ্বচেম্পিয়নৰূপে ভাৰতলৈ সুনাম কঢ়িয়াই আনিছে। তেওঁ হ'ল ডবাত বিশ্বচেম্পিয়নৰ খিতাপ অৰ্জন কৰা বিশ্বনাথন আনন্দৰ পাছত দ্বিতীয়জন ভাৰতীয়।

০০০০

সমাপ্ত